# বেৰ্টোল্ট ব্ৰেখ্টৰ নাটক

বিশ্বৰ জনগণৰ মাজত সমাজ সচেতনতামূলক আৰু প্ৰগতিশীল চিন্তাধাৰাৰ প্ৰসাৰ হোৱাৰ লগে লগে ব্ৰেখ্টীয় নাটক আৰু নাট্যৰীতিৰ জনপ্ৰিয়তাও বৃদ্ধি পাইছে। পশ্চিমৰ দেশৰ কথা বাদেই, ভাৰততো ব্ৰেখ্টৰ নাটক, ভাবধাৰা আৰু নাট্য-প্ৰণালীয়ে সাম্প্ৰতিক কালত যথেষ্ট আলোড়নৰ সৃষ্টি কৰা দেখা গৈছে। ব্ৰেখ্টীয় নাটকৰ অনুবাদ, ব্ৰেখ্টৰ অনুকৰণত নাটক ৰচনা, ব্ৰেখ্টীয় মঞ্চ-প্ৰণালীৰে নাটক মঞ্চস্থ কৰাৰ প্ৰচেষ্টা — এইবিলাক কাম দেশৰ অন্যান্য ঠাইৰ লগতে অসমতো পৰিলক্ষিত হৈছে। বিশেষকৈ, গুৱাহাটী, ডিব্ৰুগড় আদি প্ৰধান নগৰকেইখনত প্ৰগতিশীল নাট্যগোষ্ঠী ক্ৰমে গঢ়ি উঠিছে। কিন্তু ব্ৰেখ্টীয় নাটক, মঞ্চ-প্ৰণালী আৰু নাট্যতত্ত্বৰ বিষয়ে যি ধৰণে আলোচনা-সমালোচনা আদি হ'ব লাগিছিল, সেই ধৰণে আমাৰ ভাষাত হোৱা চকুত পৰা নাই। এই ধৰণৰ আলোচনা আদি আৰম্ভ কৰাৰ ক্ষেত্ৰত আমাৰ বাবে অৱশ্যে অসুবিধাও নোহোৱা নহয়। ইংৰাজীলৈ অনূদিত ব্ৰেখ্টৰ নাটক আৰু অন্যান্য লেখনীসমূহ থাওকতে পাবলৈ টান হোৱা বাবেও ব্ৰেখ্টীয় নাটক সম্পৰ্কে মূল গ্ৰন্থভিত্তিক আলোচনা আগবঢ়াবলৈ যথেষ্ট অসুবিধা। এই সৰু নিবন্ধটিত ব্ৰেখ্টৰ নাটক আৰু নাট্যৰীতি সম্পৰ্কে আলোচনাৰ পাতনি মেলিবলৈহে চেষ্টা কৰা হৈছে।

ব্ৰেখ্টীয় নাটক আৰু নাট্যতত্ত্ব বৰ্তমান পৃথিৱী বিখ্যাত। আধুনিক নাট্য-জগতত বৈপ্লৱিক পৰিৱৰ্তন ঘটোৱা নাট্যকাৰ, অভিনেতা আৰু নাট্যতাত্ত্বিক ব্ৰেখ্টৰ খ্যাতি সুদূৰপ্ৰসাৰী। কিন্তু ব্ৰেখ্টৰ নাটক আৰু নাট্য-ৰীতি সম্পৰ্কে ভুল ধাৰণাও বহুতৰে নোহোৱা নহয়। এইটো কেতিয়াও ধৰি ল'ব নালাগে যে নাটক সম্পৰ্কে ব্ৰেখ্টেও এটা স্থিতীয় মনোভাব গ্ৰহণ কৰিছিল আৰু সেইভাৱেই তেওঁ নাট্য-জীৱনৰ আৰম্ভণিৰপৰা শেষলৈকে নাটক লিখি গৈছিল। তেওঁৰ নাট্যতত্ত্ব গভীৰ অভিজ্ঞতা আৰু অধ্যয়নেৰে পুষ্ট, আৰু এই অভিজ্ঞতা আৰু অধ্যয়নৰ ভেটিত নাটক আৰু নাট্যশালা সম্পৰ্কে তেওঁৰ দৃষ্টিভংগীৰো সালসলনি ঘটিছিল।

আৰম্ভণিৰপৰাই ব্ৰেখ্টৰ লেখনীত বৈপ্লৱিক মনোভাৱৰ পৰিচয় পোৱা যায়। কিন্তু তেওঁ প্ৰথমাৱস্থাত লিখা নাটকবিলাক এংলোছেক্‌শ্যন্ জগতৰ পৰম্পৰাগত ৰোমাণ্টিক ভাববিলাসিতাৰপৰা মুক্ত নহয়। এই শতিকাৰ দ্বিতীয় দশকৰ শেষৰফালে তেওঁ কাৰ্লমাৰ্ক্সৰ লেখনীসমূহ গভীৰভাৱে অধ্যয়ন কৰিবলৈ লয় আৰু সেইবোৰ হৃদয়ংগম কৰি তেওঁৰ দৃঢ় বিশ্বাস হয় যে সামাজিক-অৰ্থনৈতিক বিপ্লৱ ঘটাই বিশ্বৰ জনগণক প্ৰকৃত মানুহৰ মৰ্যাদা দিবলৈ হ'লে মাৰ্ক্সবাদৰ বাহিৰে অন্য পন্থা নাই। মানৱ-সমাজৰ বুৰঞ্জী শ্ৰেণী-সংগ্ৰামৰ বুৰঞ্জী। সমাজত দুটা শ্ৰেণীৰ মানুহেই আছে — এফালে জমিদাৰ পুঁজিপতি

Scanned by CamScanner

আৰু মিল মালিকসকল আৰু আনফালে সৰ্বহাৰা কৃষক-শ্ৰমিকসকল। যুগ যুগ ধৰি প্ৰথম শ্ৰেণীটোৱে দ্বিতীয় শ্ৰেণীটোক শোষণ কৰি আহিছে। পুঁজিপতি বা বুৰ্জোৱাসকলৰ শোষণ-যন্ত্ৰটো উবুৰিয়াই দি শ্ৰমিক-কৃষকসকলক বৈপ্লৱিক ভাবধাৰাৰে উদ্বুদ্ধ কৰাই হৈছে ব্ৰেখ্‌টীয় নাটকৰ মূল লক্ষ্য।

আগতে উল্লেখ কৰি অহা হৈছে যে এই শতিকাৰ দ্বিতীয় দশকৰ ভিতৰত ৰচিত ব্ৰেখ্‌টৰ নাটকবিলাক আধা ৰোমাণ্টিক, আধা বাস্তৱবাদী ধৰণৰ আছিল। তেওঁ বাৰ্লিনলৈ (১৯২৪) যোৱাৰ পাছৰপৰাই মাৰ্ক্সবাদ অধ্যয়ন কৰিবলৈ লয় যদিও তাৰ কেইবছৰমানৰ পাছৰপৰাহে এই অধ্যয়নত মনপুতি লাগে। তাতেই তেওঁ জাৰ্মান সৰ্বহাৰা বিপ্লৱীসকল আৰু জাৰ্মান কমিউনিষ্ট দলৰ সংস্পৰ্শলৈ আহে। তেওঁৰ এই বিশ্বাস অতি দৃঢ় হ'ল যে মাৰ্ক্সীয় দৰ্শনৰ জ্ঞান নাথাকিলে আৰু বৈজ্ঞানিক সমাজবাদক ভেটি কৰি নল'লে কোনো ধৰণৰ সৃজনীশীল সাহিত্য সৃষ্টি সম্ভৱ নহয়। লগে লগে নাটক আৰু মঞ্চ সম্পৰ্কীয় তেওঁৰ পৰিবৰ্তনশীল দৃষ্টিভংগীয়েও এটি নতুন ৰূপ লয় তেওঁৰ বিখ্যাত নাট্যতত্ত্ব 'এপিক থিয়েটাৰ'ৰ যোগেদি। অৰ্থাৎ, বৈজ্ঞানিক সমাজবাদ অধ্যয়ন আৰু এপিক নাটকৰ সূত্ৰ বিকাশ আৰু ৰূপায়ণ — এই দুয়োটা সমযোগী হিচাপে ব্ৰেখ্‌টৰ নাট্যকাৰ জীৱনত আগবাঢ়ে এই শতিকাৰ তৃতীয় দশকৰ শেষৰ পিনৰপৰা।

ব্ৰেখ্‌টৰ এই বিশ্ববিখ্যাত 'এপিক থিয়েটাৰ' বা মহাকাব্যিক নাটকনো কি? ব্ৰেখ্‌টৰ মতে নাটক নাটকীয় হোৱাতকৈ বৰ্ণনাত্মকহে হ'ব লাগে আৰু আৱেগ-অনুভূতিৰ ঠাইত সামাজিক বাস্তৱবাদহে নাটকৰ ভেটি হোৱা উচিত। অৰ্থাৎ তেওঁ এৰিষ্টট'ল আৰু তেওঁৰ অনুগামীসকলে অনুমোদন কৰা প্ৰচলিত বা পৰম্পৰাগত নাটকৰ সমৰ্থক নহয়। নাটকৰ দৰ্শক হ'ব লাগে মহাকাব্যৰ পাঠকৰ নিচিনা। ৰামায়ণ, মহাভাৰত বা হোমাৰৰ ইলিয়াড, ওডিচিৰ নিচিনা মহাকাব্য পঢ়োতে পঢ়ুৱৈয়ে এইটো কথা সদায় মনত ৰাখে যে তেওঁ সুদূৰ অতীতৰ কোনোবা সময়ত সংঘটিত হোৱা ঘটনাৰ বিষয়েহে পঢ়িছে। পঢ়ুৱৈয়ে এইদৰে ভাবিবৰ কাৰণে মহাকাব্যৰ কবিয়ে নিজেই কাব্যৰ আৰম্ভণিতে আৰু পাঠ্যাংশতো যথেষ্ট সমল যোগায়। ঠিক একে ধৰণেই নাটকৰ দৰ্শকক কেতিয়াও ভাবিবলৈ দিব নালাগে যে তেওঁ মঞ্চত দেখা ঘটনাবিলাক এইমাত্ৰ সঁচাসঁচিকৈয়ে সংঘটিত হৈ আছে। দৰ্শকক এইটোও ভাবিবলৈ দিয়া অনুচিত যে নাটকৰ চৰিত্ৰবিলাকৰ ভাব-অনুভূতি তেওঁৰো ভাব-অনুভূতি। শ্বেইক্সপীয়েৰৰ ৰজা লীয়েৰ বা ৰাজকুমাৰ হেমলেটে কোনো বিশেষ সময়ত, বিশেষ অৱস্থাৰ পৰিপ্ৰেক্ষিতত, বিশেষ ধৰণে ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিছে। চাৰি-পাঁচশ বছৰৰ পাছৰ দৰ্শকেও যদি নিজকে লীয়েৰ বা হেমলেটৰ লগত একাত্মবোধৰ ভাব জগাই একে ধৰণেই ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰিব বুলি আশা কৰা হয় তেনেহ'লে এইটো ধৰি ল'ব লাগিব যে মানৱ-প্ৰকৃতি অপৰিবৰ্তনীয়; পৰিবৰ্তনশীল ঐতিহাসিক অৱস্থাই ইয়াৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ পেলাব নোৱাৰে। কিন্তু পৰিবৰ্তনত গভীৰ বিশ্বাসী, সামাজিক বাস্তৱবাদী

Scanned by CamScanner

ব্ৰেখ্‌টৰ বাবে এই ধৰণৰ চিন্তা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

এয়েই ব্ৰেখ্‌টৰ বিখ্যাত 'এলিয়েনেইশ্বন' তত্ত্বৰ গুৰি কথা বুলিব পাৰি। এই 'এলিয়েনেইশ্বন' বা বিচ্ছিন্নকৰণ (?) তত্ত্ব কিন্তু মূলতঃ ব্ৰেখ্‌টৰ নতুন চিন্তা নহয়। কলা সমালোচনা আৰু নন্দনতাত্ত্বিক চিন্তাত অন্ততঃ ৰোমাণ্টিক যুগৰপৰাই এই ধৰণৰ ভাবৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। শ্বেলিয়ে কৈছিল যে কবিতাই পৰিচিত বস্তুকো আমাৰ আগত এনে ধৰণে দাঙি ধৰিবলৈ চেষ্টা কৰে যেন এই বস্তু আমি কাহানিও দেখা নাই। শ্বপেনহাৱাৰ, এলিয়ট আদিয়েও ঠিক এই ধৰণেই ভাবিছিল। ভিক্টৰ শ্লাভস্‌কি নামৰ ৰুছ দেশীয় কলা-সমালোচকে ১৯১৭ চনত প্ৰকাশিত এখন ৰচনাত এই তত্ত্বৰ যোগেদি বুজাবলৈ চেষ্টা কৰিছিল, কেনেকৈ সাধাৰণ আৰু স্বয়ংক্ৰিয় উপলব্ধিক কাব্যিকভাৱে অনুভূত উপলব্ধিলৈ পৰিৱৰ্তিত কৰিব পৰা যায়। কিন্তু শ্বেলিৰপৰা শ্লাভস্‌কিলৈকে এইসকল কবি-সমালোচকে কেৱল ৰোমাণ্টিক বা নন্দনতাত্ত্বিক চিন্তাৰ ক্ষেত্ৰতহে এই তত্ত্বৰ প্ৰয়োগ কৰিছিল। ব্ৰেখ্‌টে কিন্তু মানুহৰ সমাজ আৰু সমস্যাৰ সম্যক উপলব্ধিৰ বাবেহে উক্ত তত্ত্ব ব্যৱহাৰ কৰিছে, আৰু ইয়াতেই আমি দেখিবলৈ পাওঁ তেওঁৰ চিন্তাৰ বৈশিষ্ট্য।

নাট্যকাৰ হিচাপে ব্ৰেখ্‌টৰ বিষয়ে মনত ৰাখিবলগীয়া ঘাই কথা হৈছে তেওঁ আছিল এজন আজীৱন বিদ্ৰোহী। এই বিদ্ৰোহ হৈছে কুৰি শতিকাৰ দ্বিতীয় দশকমানলৈকে জাৰ্মানীত প্ৰচলিত আৰু পৃথিৱীৰ বহুতো ঠাইত এতিয়াও চলি থকা নাটক আৰু নাট্য-মঞ্চৰ বিৰুদ্ধে। পৌৰাণিক আখ্যানক ভেটি হিচাপে লৈ নানা ধৰণৰ কৃত্ৰিম প্ৰণালীৰে তথাকথিত বাস্তৱৰ উকা চিত্ৰ আঁকিবলৈ চেষ্টা কৰা এইবিধ নাটকক ব্ৰেখ্‌টে চকু পাৰি দেখিব নোৱাৰিছিল। অলংকাৰপূৰ্ণ দীঘলীয়া বচন, আড়ম্বৰপূৰ্ণ ভাষা, স্বগতোক্তি আদি অতিনাটকীয় কৌশল প্ৰয়োগ কৰি দৰ্শকৰ সুপ্ত আৱেগ-অনুভূতি জগাই তোলাই আছিল সেই সময়ৰ নাটকৰ মূল লক্ষ্য। এই ধৰণে বাস্তৱৰ আলোক-চিত্ৰ আঁকিবলৈ চেষ্টা কৰা, সংশোধনবাদী, 'বিভ্ৰান্ত' নাটকৰ বিৰুদ্ধে ব্ৰেখ্‌ট জাগি উঠিছিল আৰু চেষ্টা চলাইছিল এনে এবিধ নাটক আৰু মঞ্চৰ ভেটি গঢ়ি তুলিবলৈ যাৰ মাজেদি দেখুৱাব পাৰি ঐতিহাসিক বিবৰ্তনৰ পথেদি সংঘটিত হোৱা মানুহ আৰু সমাজৰ নিৰৱচ্ছিন্ন পৰিৱৰ্তন। ব্ৰেখ্‌টে বিশ্বাস কৰিছিল সামাজিক অৱস্থাসমূহৰ সামগ্ৰিকতাই হৈছে মানৱ চৰিত্ৰ, আৰু মহাকাব্যিক নাটকেহে এই সামগ্ৰিকতাৰ সকলো দিশ সামৰি লৈ নিখিল জগতৰ প্ৰতিনিধিত্বমূলক ছবি দাঙি ধৰিব পাৰে। এৰিষ্টটলীয় বা গতানুগতিক নাটকে বাস্তৱৰ মায়াজাল ৰচনা কৰি দৰ্শকৰ মনত ভয় আৰু পুতৌৰ ভাব জগাই তোলে। দৰ্শকেও নাটকৰ চৰিত্ৰসমূহৰ লগত একাত্মবোধ অনুভৱ কৰি আনন্দ বা দুখ পায়। ব্ৰেখ্‌টৰ মতে এই ধৰণৰ নাটকে খন্তেকৰ কাৰণে হয়তো দৰ্শকৰ মনত খোৰাক যোগায়, কিন্তু তেওঁলোকৰ মনত কোনো ধৰণৰ দ সাঁচ বহুৱাব নোৱাৰে। এই ধৰণৰ নাটকে দৰ্শকৰ মনত তীব্ৰ আৱেগ-অনুভূতিহে জগাই তোলে; তেওঁলোকক কোনো ধৰণৰ চিন্তা কৰিবলৈ নিশিকায়। আৱেগ-অনুভূতিৰ তীব্ৰতা আৰু

Scanned by CamScanner

নাটকীয় চৰিত্ৰৰ লগত একাত্মবোধ — এই দুয়োটাই চিন্তাৰ বাটত প্ৰতিবন্ধক ৰূপে থিয় দিয়ে। ব্ৰেখ্‌টৰ দৃঢ় বিশ্বাস — নাট্যকাৰ, অভিনেতা, প্ৰযোজক আটাইৰে ষড়যন্ত্ৰত বাস্তৱৰ মায়াজাল তৈয়াৰ কৰি এইদৰে দৰ্শকক বিভ্ৰান্ত কৰি অহা হৈছে।

যুগ যুগ ধৰি চলি অহা নাটকৰ এই অশুভ আৰু ক্ষতিকাৰক দিশটোৰ গুৰি শিপা উভালি নাটকক সামাজিক শিক্ষাৰ বাহন আৰু দৰ্শকৰ মন চিন্তাশীল কৰি তোলাৰ মাধ্যম হিচাপে গঢ়ি তোলাই ব্ৰেখ্‌টৰ মূল লক্ষ্য। ইতিমধ্যে, আৰউইন পিচ্‌কেটৰে (১৮৯৩—১৯৬৬) নাটকক সামাজিক-ৰাজনৈতিক চিন্তা প্ৰচাৰৰ আৰু সমসাময়িক সমস্যা আলোচনাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি কৃতকাৰ্য লাভ কৰিছিলেই। 'ৰাজনৈতিক নাটক'ৰ প্ৰৱক্তা বুলি খ্যাত পিচ্‌কেটৰে ব্ৰেখ্‌টক যথেষ্ট প্ৰভাৱান্বিত কৰিছিল; আৰু ব্ৰেখ্‌টেও যেনিবা এপিক থিয়েটাৰৰ যোগেদি এওঁৰ নাটক আৰু নাট্য-চিন্তাক আৰু এখোপ আগুৱাই নিলে।

আগতে উনুকিয়াই অহা হৈছে যে ব্ৰেখ্‌টীয় নাটকৰ মূল লক্ষ্য হৈছে নাটকে যাতে দৰ্শকৰ মনত তীব্ৰ আৱেগ-অনুভূতিৰ সলনি চিন্তাৰহে উদ্ৰেক কৰে তাৰ যত্ন লোৱা, আৰু দৰ্শকেও যাতে নাটকৰ চৰিত্ৰৰ লগত একাত্মবোধ অনুভৱ কৰাৰ পৰিবৰ্তে নিৰপেক্ষ পৰ্যবেক্ষকৰ ভূমিকা লৈ এইবোৰৰ প্ৰতি সমালোচনামূলক দৃষ্টিভংগীহে গ্ৰহণ কৰে তালৈ চকু দিয়া। অৰ্থাৎ, এপিক থিয়েটাৰে দৰ্শকৰ সমুখত কোনো ভুৱা বৰ্তমানৰ সৃষ্টি কৰিবলৈ চেষ্টা নকৰে। ইয়াৰ সলনি দৰ্শকক এইটো স্পষ্টকৈ বুজাই দিয়া হয় যে তেওঁ চকুৰ আগত দেখা ঘটনাবোৰ অতীতৰ কোনো সময়ত সংঘটিত হোৱা ঘটনাৰ অভিনীত ৰূপহে। ইয়াৰ অৰ্থ এয়ে যে ব্ৰেখ্‌টৰ মহাকাব্যিক নাটক হৈছে সামগ্ৰিকভাৱেই ঐতিহাসিক; কল্পনাৰ ইন্দ্ৰজাল তৈয়াৰ কৰাৰ প্ৰচেষ্টা ইয়াত নাই। সেইদৰেই অভিনেতা এজনৰো অভিনীত চৰিত্ৰৰ সতে একাত্মবোধ থাকিব নালাগে। অৰ্থাৎ, হেমলেটৰ চৰিত্ৰ মঞ্চত ৰূপায়িত কৰা লোক এজনে এইটোহে মনত ৰাখিব লাগে যে তেওঁ প্ৰকৃততে অমুকহে; ৰাজকুমাৰ হেমলেট নহয়। হেমলেটৰ চৰিত্ৰটো দৰ্শকে যাতে ভালকৈ হৃদয়ংগম কৰিব পাৰে সেই উদ্দেশ্যে তেওঁ মাত্ৰ হেমলেটে অতীতৰ কোনো সময়ত কৰা কাৰ্যৰ পুনৰাবৃত্তিহে কৰিছে। ব্ৰেখ্‌টীয় নাটকৰ অভিনয়ৰ এই মূল দিশটো ফট্‌ফটীয়াকৈ বুজাবৰ বাবে ব্ৰেখ্‌টে নিজেই এটা সুন্দৰ উদাহৰণ দিছে ঃ জনসমাগমপূৰ্ণ নগৰৰ পথত এটা দুৰ্ঘটনা ঘটিল — মটৰ গাড়ী এখনে বৃদ্ধ এজনক খুন্দা মাৰি পেলাই থৈ গ'ল। ঘটনাস্থলত বহুত লোক গোট খোৱাত প্ৰত্যক্ষদৰ্শী এজনে গোটেই ঘটনাটো বুজাবলৈ চেষ্টা কৰিছে। বৃদ্ধজন কেনেকৈ লাহে লাহে খোজ কাঢ়ি গৈ আছিল; মটৰ গাড়ীখনে কেনেকৈ কোবেৰে আহি পিছফালৰপৰা তেওঁক খুন্দা মাৰি দিলে; তেওঁ কেনেকৈ কৰ্ফাল খাই বাটৰ দাঁতিত পৰিলগৈ, ইত্যাদি ঘটনাবোৰ তেওঁ অংগী-ভংগীৰ সহায়েৰে বৰ্ণনা কৰিবলৈ চেষ্টা কৰিছে। এইবোৰ কৰোঁতে প্ৰত্যক্ষদৰ্শীজনৰ এইটো কথা মনত থাকে যে বুঢ়া মানুহজন তেওঁ নিজেই নহয়; তেওঁ

Scanned by CamScanner

বৰ্ণনাহে দিছে। এই বৰ্ণনা দিওঁতে তেওঁ মাথোন বৃত্তজন পতিত হোৱা দুৰ্ঘটনাটোৰ বৰ্ণনাহে দিছে। এই বৰ্ণনা দিওঁতে তেওঁ বৃত্তজনৰ ওপৰত বা ঘটনাটোৰ ওপৰত মন্তব্যও দিব পাৰে। অভিনেতা আৰু নাটকীয় চৰিত্ৰৰ মাজৰ সম্পৰ্কত উক্ত প্ৰত্যক্ষদৰ্শী আৰু বৃত্তৰ মাজৰ সম্পৰ্কৰ লেখীয়া হোৱা উচিত। চমুকৈ এইধৰণে ক'ব পাৰি — ব্ৰেখ্‌টীয় নাটকত নাটকীয় চৰিত্ৰ, অভিনেতা আৰু দৰ্শকৰ মাজত কোনো ধৰণৰ আৱেগিক বা আনুভূতিক একাত্মবোধৰ কথা নাই।

ব্ৰেখ্‌টে বিশ্বাস কৰে কেৱল চৰিত্ৰ হিচাপে কোনো এক চৰিত্ৰৰ অকলশৰীয়াভাৱে একো অস্তিত্বই নাই। যেনেকৈ দুজন ব্যক্তিৰদ্বাৰাহে নিম্নতম সামাজিক একক গঠিত হয়, তেনেকৈ দুটা চৰিত্ৰৰ পাৰস্পৰিক সম্পৰ্কৰ যোগেদিহে সৰ্বনিম্ন নাটকীয় ঐক্য গঢ়ি উঠে। গতিকে এইটো স্পষ্ট যে ব্যক্তিৰ স্বভাৱজাত আৱেগ-অনুভূতি আদিতকৈ সামাজিক প্ৰাণী হিচাপে তেওঁৰ দৃষ্টিভংগী আৰু কাম-কাজহে ব্ৰেখ্‌টৰ বাবে বেছি দৰকাৰী কথা। সেয়ে, ব্ৰেখ্‌টীয় নাটকত চৰিত্ৰৰ স্বভাৱৰ ওপৰত গুৰুত্ব দিয়া নহয়; গুৰুত্ব দিয়া হয় চৰিত্ৰসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ ওপৰতহে। শ্বেইক্সপীয়েৰৰ ৰজা লীয়েৰৰ সন্দেহী প্ৰকৃতি আৰু ৰাজকুমাৰ হেমলেটৰ দীৰ্ঘসূত্ৰী বা হোঁহকাপিছলা কৰা স্বভাৱৰ ওপৰত সৰ্বাত্মক গুৰুত্ব দিয়া দেখা যায়। কোনো কোনো সমালোচকৰ মতে এই ধৰণৰ স্বভাৱেই দুয়োটা চৰিত্ৰৰে ট্ৰেজিক পৰিসমাপ্তি ঘটোৱাৰ মূল কাৰণ। ব্ৰেখ্‌টে কিন্তু চৰিত্ৰৰ এই ধৰণৰ স্বভাৱজাত দুৰ্বলতাত গুৰুত্ব নিদিয়ে, গুৰুত্ব দিয়ে চৰিত্ৰবিলাকে ইটোৱে সিটোৰ ওপৰত কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰতহে। এই কথাটো পৰিষ্কাৰকৈ চাবৰ বাবে ব্ৰেখ্‌টৰ অন্যতম বিখ্যাত নাটক 'চেজুৱানৰ ভাল মহিলাগৰাকী' (The Good Woman of Setzuan)কে লোৱা যাওক। স্বৰ্গৰপৰা তিনিজন দেৱতা পৃথিৱীলৈ নামি আহিছে এজন প্ৰকৃত ভাল মানুহৰ সন্ধানত, কাৰণ কমপক্ষেও এজন সৎ লোক নাথাকিলে পৃথিৱীৰ অস্তিত্বই নোহোৱা হ'ব। পিছে এই ধৰণৰ মানুহ এজন বিচাৰি দেৱতাসকল ভাগৰি পৰিল। ভাল মানুহ লগ পোৱা দূৰৰে কথা, আনকি কোনেও তেওঁলোকক ৰাতিটোৰ কাৰণে আশ্ৰয় দিবলৈও মান্তি নহ'ল। শেষত যেনিবা শেন্ টে নামৰ বেশ্যা এগৰাকীয়ে তেওঁলোকৰ ভাগৰুৱা দেহক শাঁত কৰি ল'বলৈ সুবিধা কৰি দিয়ে। শেন্ টেৰ ব্যৱহাৰত সন্তুষ্ট হৈ দেৱতাসকলে তেওঁক ধন উপহাৰ দিয়ে। ইপিনে শেন্ টেৰ হাতলৈ ধন অহা গম পাই তেওঁৰ ভাবী কুটুম আৰু লেম্‌টোবোৰ তেওঁৰ ওচৰলৈ সঘনে আহিবলৈ ধৰে। তেওঁ এইবোৰ স্বাৰ্থলোভী মানুহৰপৰা হাত সাৰি চলিবৰ বাবে ছদ্মবেশ ধৰি নিজকে শুই টা নামেৰে শেন্ টেৰ দদায়েকৰ পুতেক হিচাপে পৰিচয় দিবলৈ ধৰে। এই ছদ্মবেশী শুই টাৰ ভূমিকাত তেওঁ নিষ্ঠুৰভাৱে স্বাৰ্থলোভীইঁতক নিজৰ ওচৰৰপৰা আঁতৰাই ৰাখিবলৈ সক্ষম হয়। এনেতে শেন্ টেই য়াং চান্ নামৰ নিবনুৱা বৈমানিক এজনৰ প্ৰেমত পৰে আৰু তেওঁক বিয়া কৰাবলৈ মন কৰে। পিছে ছদ্মবেশত থাকোঁতে শেন্ টেই এইটো গম পায় যে বৈমানিকজনে আচলতে তাইক ভাল নাপায়; তাইৰ ধন-সম্পত্তিৰ লোভতহে এইদৰে ভাল পোৱাৰ ভাও

ধৰিছে। কিন্তু তাই ইতিমধ্যে অন্তঃসত্ত্বা হৈছে। তেতিয়াৰপৰা ভালেমান দিনৰ বাবে শেন্ টেক কোনেও দেখিবলৈ নোপোৱা হয়, আৰু তাইৰ 'অনুপস্থিতিত' ছদ্মবেশী শুই টাই হেৰোৱা ধন উদ্ধাৰৰ চেষ্টাত এখন ধপাতৰ দোকান খোলে। ইফালে শেন্ টেক হত্যা কৰা হৈছে বুলি ধৰি লৈ শুই টাক গ্ৰেপ্তাৰ কৰা হয়। শুই টাৰ বিচাৰ আৰম্ভ হয় আৰু স্বয়ং দেৱতা কেইজনেই বিচাৰকৰ ভূমিকা লয়। বিচাৰত ওলাই পৰে যে শুই টা আচলতে ছদ্মবেশী শেন্ টেহে। লোভ আৰু নিষ্ঠুৰতাৰ মুখা পিন্ধিহে চেজুৱানৰ এই ভাল মহিলাগৰাকীয়ে নিজৰ জীৱন নিৰ্বাহ আৰু আগৰ সন্তানৰ বাবেও অলপ আৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। কাৰণ, এইখন সমাজত ভাল মানুহ ভাল হৈ জীয়াই থাকিব নোৱাৰে। অঁকৰা আৰু অকামিলা দেৱতা কেইজনৰ মনত আনন্দ যে তেওঁলোকে বিচাৰি পোৱা ভাল ব্যক্তিগৰাকী এতিয়াও জীয়াই আছে। কিন্তু শেন্ টেই কি ধৰণৰ উভয় সংকটত পৰিছে সেয়া তেওঁলোকে বুজিবলৈ চেষ্টা নকৰিলে। তেওঁলোকে কেৱল ক'লে যে কিবা নহয় কিবা উপায়ে শেন্ টে জীয়াই থাকিব। নাটকৰ এপিলগত যেনিবা এইটো স্পষ্টকৈ কোৱা হয় যে যিখন পৃথিৱীত ভাল লোকে ভাল ধৰণে জীৱন যাপন কৰিব নোৱাৰে সেইখন পৃথিৱীৰ পৰিবৰ্তন সাধন কৰা উচিত।

নাটকখনৰ থূলমূল আভাসটিৰপৰা এয়া স্পষ্ট হৈ পৰিছে যে ব্ৰেখ্টে প্ৰধানকৈ গুৰুত্ব দিয়ে কাহিনীৰ ওপৰতহে; আৰু যিহেতু নাটকৰ চৰিত্ৰসমূহৰ পাৰস্পৰিক সম্পৰ্ক আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াই হৈছে কাহিনীৰ আধাৰ, সেয়ে তেওঁৰ বাবে নাটকৰ এই দিশটোহে আটাইতকৈ দৰকাৰী। শেন্ টেৰ জীৱনলৈ যথেষ্ট বিপৰ্যয় আহিছে। কিন্তু চৰিত্ৰটোৰ ব্যক্তিগত আবেগ-অনুভূতিক নাটকীয়ত্ব দান কৰিবলৈ চেষ্টা কৰা হোৱা নাই। বৰং শেন্ টেৰ আবেগ-অনুভূতিতকৈ ছদ্মবেশী নিষ্ঠুৰ শুই টাৰ ভূমিকাত তেওঁ কি ধৰণে অৱতীৰ্ণ হৈছে, সেয়াহে নাটকত বেছি সুন্দৰকৈ প্ৰকট হৈ উঠিছে। শেন্ টে আৰু শুই টা — এই পৰস্পৰবিৰোধী চৰিত্ৰ দুটাৰ সম্পৰ্ক আৰু ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজেদি দেখুৱাবলৈ চেষ্টা কৰা হৈছে কেনেকৈ এই পৃথিৱীত ভাল মানুহেও বেয়া মানুহৰ মুখা পিন্ধিহে বাচি থাকিব পাৰে। ব্ৰেখ্টৰ অন্যান্য নাটকতো এইদৰে চৰিত্ৰসমূহৰ পাৰস্পৰিক সম্পৰ্ক আৰু সামাজিক দৃষ্টিভংগীৰ ওপৰতহে গুৰুত্ব দিয়া দেখা যায়।

নাটক আৰু ৰংগমঞ্চৰপৰা ভুৱা বাস্তৱতাৰ মায়াজাল আঁতৰাবলৈ ব্ৰেখ্টে পাৰ্যমানে চেষ্টা কৰিছিল। চিৰাচৰিত নাটকৰ আবেগিক তীব্ৰতা, হৈ-চৈপূৰ্ণ পৰিবেশ আৰু যাদুকৰী কুহকাৰাজৰ ঠাইত সুৰুচিপূৰ্ণ চিন্তা, বিজ্ঞানসম্মত যুক্তি আৰু ভাবৰ প্ৰাঞ্জলতাক প্ৰতিষ্ঠা কৰিবলৈ তেওঁ সততে যত্নপৰ হৈছিল। সন্মুখৰ মঞ্চত দেখা চৰিত্ৰ বা ঘটনাবিলাক বাস্তৱভিত্তিক বা সত্য, এনেকুৱা ধাৰণা এটা দৰ্শকে যাতে নকৰে তাৰ বাবে ব্ৰেখ্টে অন্যান্য বহুতো উপায় অৱলম্বন কৰিছিল। উদাহৰণ হিচাপে, অভিনয়ৰ সময়ত মঞ্চত যথেষ্ট পোহৰৰ ব্যৱস্থা কৰাৰ ওপৰত ব্ৰেখ্টে গুৰুত্ব দিছিল। কিন্তু কোনো পৰিবেশ বা

Scanned by CamScanner

অৱস্থাৰ সৃষ্টি কৰিবলৈ পোহৰৰ কৃত্ৰিম ব্যৱহাৰ তেওঁ পছন্দ নকৰিছিল। সেয়ে বাতি বা আন্ধাৰ হোৱা দেখুৱাবলৈ হ'লে শ্বেইক্সপীয়েৰৰ যুগৰ নাটকৰ দৰে ব্ৰেখ্‌টীয় নাটকতো চাকি বা চন্দ্ৰাকাৰৰ চকৰি ব্যৱহাৰ কৰা হয়। তদুপৰি মঞ্চত পোহৰৰ উৎস দৰ্শকৰ দৃষ্টিগোচৰ হৈ থকাটোও তেওঁ বিচাৰিছিল। সেইদৰে দৰ্শকক আঁৰ কৰি কোনো ধৰণৰ কৃত্ৰিম নাটকীয়-প্ৰস্তুতি চলোৱাৰ বাবে পৰ্দাৰ ব্যৱহাৰো তেওঁ ভাল নাপাইছিল। অৱশ্যে বিভিন্ন দৃশ্যৰ শিৰোনামা প্ৰদৰ্শন বা কোনো ঘটনাৰ স্থান সূচাবলৈ পৰ্দাৰ ব্যৱহাৰ ব্ৰেখ্‌টীয় নাটকৰ বৈশিষ্ট্য। পোহৰৰ উৎসৰ দৰে সংগীতৰ উৎসও যাতে দৰ্শকৰ দৃষ্টিগোচৰ হৈ থাকে তাৰ প্ৰতিও লক্ষ্য ৰখাটো ব্ৰেখ্‌টে বিচাৰিছিল। দৰ্শকৰ মন উৎফুল্লিত কৰিবৰ বাবে নহয়, নাটকৰ ঘটনাক অলপ পৰৰ বাবে ব্যাহত কৰিবলৈহে সংগীতৰ ব্যৱহাৰ কৰা হয় যাতে দৰ্শকে চিন্তাৰ বাবে কিছু অৱকাশ পায়।

এইদৰে নাটক আৰু অভিনয়ৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন ঘটাবলৈ ব্ৰেখ্‌টে নিৰৱচ্ছিন্নভাৱে যত্ন কৰিছিল। ব্ৰেখ্‌টীয় চিন্তাৰ মূল ভেটিটোৱেই হৈছে পৰিৱৰ্তনৰ ওপৰত তেওঁৰ অটল বিশ্বাস আৰু এই বিশ্বাসৰ প্ৰভাৱ তেওঁৰ নাটকৰ বিষয়বস্তু আৰু নাট্য-ৰীতিৰ ওপৰত বাৰুকৈয়ে পৰিছে। সামাজিক পৰিৱৰ্তনত গভীৰ বিশ্বাসী ব্ৰেখ্‌টে সাহিত্য-সংস্কৃতিৰ প্ৰগতিৰ বেলিকা বিভিন্ন দেশ আৰু জাতিৰ ভাব-চিন্তা, ৰীতি-নীতি আদিৰ সমন্বয়ৰ আৱশ্যকতা বেছকৈয়ে উপলব্ধি কৰিছিল। সেয়ে, ব্ৰেখ্‌টীয় নাটক আৰু নাট্য-চিন্তা য়ুৰ'পীয় নাটকৰ ঐতিহ্যৰ মূল সুঁতিৰপৰা ভিন্ন নহয় যদিও ইয়াৰ ওপৰত ভাৰত, চীন, জাপান আদি প্ৰাচ্য দেশীয় নাটক আৰু অষ্ট্ৰিয়া, বাভাৰিয়া আদিৰ গণনাট্যৰ প্ৰভাৱ মন কৰিবলগীয়া।

Scanned by CamScanner